জয় আই অসম

# সদৌ অসম কৰ্মচাৰী পৰিষদ

*( অসম চৰকাৰৰ স্বীকৃতি প্ৰাপ্ত )*

কেন্দ্ৰীয় কাৰ্য্যালয় ঃ দিশপুৰ, গুৱাহাটী - ৭৮১০০৬

## ষষ্ঠবিংশতিতম বাৰ্ষিক সাধাৰণ সভা

তাৰিখ ঃ ২১ আৰু ২২ জানুৱাৰী, ২০১০ চন

স্থান

**জিলা পুথিভঁৰাল, ধুবুৰী**

**সম্পাদক প্ৰধানৰ বাৰ্ষিক প্ৰতিবেদন**

OKDISCD

# সদৌ অসম কৰ্মচাৰী পৰিষদ
# ষষ্ঠবিংশতিতম বাৰ্ষিক সাধাৰণ সভা

মাননীয় সভাপতি শ্ৰীপ্ৰদীপ কুমাৰ বৰা ডাঙৰীয়া, প্ৰতিনিধি সভাৰ উদ্বোধক সন্মানীয় ধুবুৰী জিলাৰ উপায়ুক্ত শ্ৰীযতীন্দ্ৰ লহকৰদেৰ, সদৌ অসম কৰ্মচাৰী পৰিষদৰ ষষ্ঠ বিংশতিতম বাৰ্ষিক সাধাৰণ সভাত উপস্থিত থকা সন্মানীয় প্ৰতিনিধিবৰ্গ, শ্ৰদ্ধাৰ ৰাইজ, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকল,

জয়জয়তে আটাইলৈ ভোগালী বিহুৰ ওলগ জনালোঁ। বিগত বছৰটোত ৰাজ্যিক শিক্ষক, কৰ্মচাৰী, বিষয়াৰ মাজৰ পৰা পৰলোকপ্ৰাপ্ত সকলৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিলো। অসম আন্দোলনৰ সময়ছোৱাত দেশতকৈ চাকৰি ডাঙৰ নহয় বুলি ৰাজপথলৈ ওলাই আহি প্ৰাণ বিসৰ্জন দিয়া কৰ্মচাৰী, শ্বহীদ সকলৰ পূণ্য আত্মাৰ সদ্‌গতি কামনা কৰিছো। নিৰ্য্যাতিত সকললৈ শ্ৰদ্ধা জনাইছো।

ধুবুৰী জিলা কৰ্মচাৰী পৰিষদ আৰু দক্ষিণ শালমাৰা, হাটশিঙিমাৰি জিলা কৰ্মচাৰী পৰিষদৰ আহ্বানত সদৌ অসম কৰ্মচাৰী পৰিষদৰ ষষ্ঠ বিংশতিতম সাধাৰণ সভা দুদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰা সুবিধাকণ দিয়াৰ বাবে সংশ্লিষ্ট জিলা কৰ্মচাৰী পৰিষদৰ বিষয়-ববীয়া, সদস্য/ সদস্যা, অভ্যৰ্থনা সমিতিৰ লগত জড়িত সদৌটিলৈ আন্তৰিক ধন্যবাদ জনাইছো। অধিবেশনখনি সফলতাৰে চলাই নিয়াত সহযোগিতা আগবঢ়োৱা বাবে জিলাখনৰ সমূহ শিক্ষক, কৰ্মচাৰী, বিষয়া, সংবাদ মাধ্যমৰ লগত জড়িত সংবাদসেৱী, ছাত্ৰ-ছাত্ৰী আৰু ৰাইজলৈ আমাৰ কৃতজ্ঞতা, শলাগ জনাইছো।

**শ্ৰদ্ধাৰ বন্ধু-বান্ধৱী সকল,**

সদৌ অসম কৰ্মচাৰী পৰিষদ ৰাজ্যখনৰ ৰাজ্যিক শ্ৰমিক-কৰ্মচাৰী, শিক্ষক, বিষয়াৰ সংগঠন সমূহৰ এক বৃহত্তম যৌথ মঞ্চ। অসম ৰাজ্যৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত স্থাপিত চৰকাৰী আৰু অৰ্দ্ধ চৰকাৰী কাৰ্য্যালয়, অনুষ্ঠান-প্ৰতিষ্ঠানত কাম কৰা বিভিন্ন পৰ্য্যায়ৰ কৰ্মচাৰীৰ মাজত গঠিত সন্থা-সংঘ বা একাধিক সন্থাৰ মাজত গঠিত সমন্বয়ৰক্ষী সমিতি বা ফেডাৰেচন চৰকাৰী স্বীকৃতিপ্ৰাপ্ত হলে আৰু দলীয় ৰাজনীতিৰ লগত জড়িত নাথাকিলে পৰিষদৰ সদস্যভুক্ত সংগঠন হোৱাৰ যোগ্যতা লাভ কৰে। কৰ্মচাৰী সমাজখনৰ বিভিন্ন অভাৱ-অভিযোগ, প্ৰাপ্য আদায়ৰ বাবে চৰকাৰৰ দৃষ্টিগোচৰ কৰা, সমাধানৰ পথ প্ৰশস্ত কৰাৰ উপৰিও অসমৰ থলুৱা জনগোষ্ঠী, জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে অসমত বসবাস কৰা ভাৰতীয় নাগৰিকৰ মাজত ঐক্য, সম্প্ৰীতি ৰক্ষাৰ্থে কাম কৰা, ভাষা, সাহিত্য, কলা-কৃষ্টিৰ বিকাশ সাধন কৰা যেনেদৰে মূল লক্ষ্য তেনেদৰে



OKDISCD

ৰাজ্যখনৰ সামগ্ৰিক উন্নয়ন, প্ৰশাসনীয় ব্যৱস্থাক দুৰ্নীতিমুক্ত আৰু দক্ষ কৰি গঢ়ি তোলাও অন্যতম উদ্দেশ্য। তেনে মহৎ উদ্দেশ্য আগত ৰাখিয়ে যোৱা ২০০৩ চনৰ পৰা একেৰাহে ২০১০ চনৰ আজিৰ দিনটোলৈ পৰিষদৰ সম্পাদক প্ৰধানৰ দায়িত্ব পালন কৰি আহিছো। এই ক্ষেত্ৰত বিগত সময়ত বিনা প্ৰতিদ্বন্দ্বিতাৰে সম্পাদক প্ৰধানৰ দায়িত্ব অৰ্পণ কৰাৰ বাবে সন্মানীয় প্ৰতিনিধিবৰ্গলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো। ২০০৮-২০০৯ বৰ্ষৰ কাৰ্য্যকালত পৰিষদৰ কাম-কাজ দৃঢ়তাৰে আগবঢ়াই নিয়াত সহায় কৰা কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ বিষয়-ববীয়া সদস্য-সদস্যা সকলৰ নাম তলত উল্লেখ কৰা হ'ল -

**সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় কাৰ্য্য-নিৰ্বাহক সমিতিখনঃ**

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | শ্ৰীসুৰেন বৰা |
| সভাপতি | ঃ | শ্ৰীপ্ৰদীপ কুমাৰ বৰা |
| উপ-সভাপতি | ঃ | ড° গোবিন্দ দাস |
| | | শ্ৰীকৃষ্ণকান্ত তালুকদাৰ |
| | | শ্ৰীধনেশ্বৰ শৰ্মা |
| | | শ্ৰীযোগেন গায়ন |
| সম্পাদক প্ৰধান | ঃ | শ্ৰীবাসৱ চন্দ্ৰ কলিতা |
| যুটীয়া সম্পাদক | ঃ | শ্ৰীনগেন দাস |
| | | শ্ৰীতনুকৃষ্ণ গোস্বামী |
| | | শ্ৰীকৃপাচন্দ্ৰ কলিতা |
| | | শ্ৰীপদ্মকান্ত বৰা |
| কোষাধ্যক্ষ | ঃ | শ্ৰীখগেন ডেকা |
| কাৰ্য্যালয় সম্পাদক | ঃ | শ্ৰীফকৰুদ্দিন আহমেদ |

**সাংগঠনিক সম্পাদক সকল ঃ**

| | | |
|---|---|---|
| শ্ৰীআবেদ আলি আহমেদ | ঃ | গুৱাহাটী, ৰঙিয়া, মৰিগাওঁ |
| শ্ৰীহৰিমোহন তহবিলদাৰ | ঃ | তামুলপুৰ, নলবাৰী, বাস্কা |
| শ্ৰীনিৰ্মল কুমাৰ পাল | ঃ | কোকৰাঝাৰ, বঙাইগাওঁ, গোসাইগাওঁ |
| শ্ৰীমন্তাজউদ্দিন আহমেদ | ঃ | হাটশিঙিমাৰি, গোৱালপাৰা, ধুবুৰী |
| শ্ৰীমণি গগৈ | ঃ | শিৱসাগৰ, নাজিৰা, চৰাইদেউ |
| শ্ৰীবিৰেন বৰদলৈ | ঃ | লক্ষীমপুৰ, বিশ্বনাথ চাৰিআলি, গহপুৰ |
| শ্ৰীদিলীপ সিং | ঃ | ডিব্ৰুগড়, তিনিচুকীয়া, মাৰ্ঘেৰিটা |
| শ্ৰীকিৰণ হাজৰিকা | ঃ | যোৰহাট, মাজুলী, তিতাবৰ, মৰিয়নী |
| শ্ৰীদিলীপ কোঁৱৰ | ঃ | গোলাঘাট, ধনশিৰি, বোকাখাত |

OKDISCD

| | | |
|---|---|---|
| শ্ৰীপবিত্ৰ পাঠক | ঃ | বিজনী, বজালী, বৰপেটা |
| শ্ৰীসুদীপ্ত ভট্টাচাৰ্য্য | ঃ | শিলচৰ, হাইলাকান্দি, বদৰপুৰ, কৰিমগঞ্জ |
| শ্ৰীকিনাৰাম হাজৰিকা | ঃ | নগাওঁ, হোজাই, কলিয়াবৰ |
| শ্ৰীসুৰেন বৰুৱা | ঃ | মঙ্গলদৈ, তেজপুৰ, ওদালগুৰি |
| শ্ৰীপ্ৰদীপ ভূএঁঞা | ঃ | ধেমাজী, ঢকুৱাখানা, জোনাই |
| শ্ৰীঅৰ্জুন দাস | ঃ | ডিফু, হামৰেন, বোকাজান, হাফলং |

**সদস্য, জিলা কৰ্মচাৰী পৰিষদৰ পৰা ঃ**

শ্ৰীভূপেন বৰুৱা, গুৱাহাটী
শ্ৰীঅমৃত শৰ্মা, বাস্কা
শ্ৰীদীপক বণিক, বৰপেটা
শ্ৰীজ্যোতিষ মেধি, গোৱালপাৰা
শ্ৰীশ্যামন্ত দাস, নগাওঁ
শ্ৰীনৃপেন ভূএঁঞা, যোৰহাট
শ্ৰীবিজয়কৃষ্ণ দত্ত, শিৱসাগৰ
শ্ৰীঅনুপ কুমাৰ বৰঠাকুৰ, হোজাই
শ্ৰীহীৰা বুঢ়াগোহাঁই, জোনাই
শ্ৰীগোপাল ৰংছেহন, ডিফু
শ্ৰীভূপেন দলে, উঃ লক্ষীমপুৰ
শ্ৰীমাখন লাল নুনিছা, হাফলং
শ্ৰীৰঞ্জিৎ বৰঠাকুৰ, তেজপুৰ
শ্ৰীদেৱেশ্বৰ মৰাণ, তিনিচুকীয়া
শ্ৰীপুলক গগৈ, চৰাইদেউ
শ্ৰীহৰেকৃষ্ণ মেধি, নলবাৰী
শ্ৰীপ্ৰশান্ত কলিতা, নাজিৰা
শ্ৰীপান্ন পাল, শিলচৰ
শ্ৰীখগেন মহন্ত, মৰিগাওঁ
শ্ৰীকালচান্দ সিং, ওদালগুৰি

**সদস্য, সন্থা, সংঘ সমূহৰ পৰা ঃ**

শ্ৰীবিৰাজ বৈশ্য, অসম চৰকাৰী ছপাশাল ঔদ্যোগিক কৰ্মী সন্থা।
শ্ৰীঠানু বুঢ়াগোহাঁই, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী
শ্ৰীতপন গোস্বামী, সদৌ অসম চৰকাৰী বুনিয়াদী শিক্ষক সন্থা।
শ্ৰীনুৰুল ইছলাম, সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক কৰ্মচাৰী সন্থা।
শ্ৰীজিতেন বৰ্মন, অসম সচিবালয় সেৱা সন্থা।



OKDISCD

শ্ৰীদুৰ্গেশ্বৰ তালুকদাৰ, গুৱাহাটী মেডিকেল কলেজ হাস্পাতাল কৰ্মী সংঘ।
শ্ৰীবিৰেন্দ্ৰ নাথ শৰ্মা, সদৌ অসম ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান প্ৰশিক্ষক সন্থা।
শ্ৰীৰাজেশ কুমাৰ মেধি, সদৌ অসম গ্ৰামোন্নয়ন কৰ্মচাৰী সন্থা।
শ্ৰীপ্ৰবীৰ বৰা, সদৌ অসম আভ্যন্তৰীণ জল পৰিবহন কৰ্মচাৰী সন্থা।
শ্ৰীকামাখ্যা নাথ, অসম সচিবালয় মুদ্ৰালেখনকাৰী সন্থা।
শ্ৰীগৌতম চন্দ্ৰ দে, বৃহত্তৰ কামৰূপ জিলা, মুৰব্বী বিভাগ, সচিবালয় গাড়ীচালক আৰু সহায়ক সন্থা।
শ্ৰীপ্ৰদীপ ৰাজখোৱা, সদৌ অসম কোষাগাৰ কৰ্মচাৰী সন্থা।
শ্ৰীবুলুমা শইকীয়া, সদৌ অসম এ এন এম আৰু এল এইচ এচ সন্থা
শ্ৰীভদ্ৰেশ্বৰ মেধি, সদৌ অসম মুৰব্বী বিভাগীয় আমোলা সন্থা।
শ্ৰীকুশল কুমাৰ বৰা, সদৌ অসম মজলীয়া শিক্ষক সন্থা।
শ্ৰীঅতুল ৰায় মণ্ডল, সদৌ অসম মাধ্যমিক শিক্ষক কৰ্মচাৰী সন্থা।
শ্ৰীমৃণাল কলিতা, হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগ বিষয়া সন্থা।
শ্ৰীসুশীল সৰকাৰ, সদৌ অসম সমবায় বিষয়া সন্থা।
শ্ৰীটিকাৰাম শৰ্মা, সদৌ অসম বিদ্যালয় সমূহৰ চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা।
শ্ৰীহেমন্ত কুমাৰ নাথ, সদৌ অসম উপ-অভিযন্তা (১) সেৱা সন্থা।

**মনোনীত সদস্য ঃ**

শ্ৰীঅৰুনী কুমাৰ ডেকা, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী
শ্ৰীমৃণাল কলিতা, সদৌ অসম ৰেচম বিষয়া সন্থা।
শ্ৰীপ্ৰফুল্ল বৰা, যোৰহাট
শ্ৰীনজমুল হক, গুৱাহাটী
শ্ৰীউদয়ন চক্ৰৱৰ্ত্তী, ধুবুৰী
শ্ৰীৰাজেন শৰ্মা, অসম হাইস্কুল শিক্ষক সন্থা।
শ্ৰীবিৰেন কুমাৰ ডেকা, সদৌ অসম আবকাৰী বিষয়া সন্থা।
শ্ৰীকানন বৰদলৈ, গুৱাহাটী

**আমন্ত্ৰিত সদস্য ঃ (জিলা কৰ্মচাৰী পৰিষদৰ)**

শ্ৰীহীৰেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী, মৰিয়নী
শ্ৰীৰবীন্দ্ৰনাৰায়ন ৰয়, গোলাঘাট
শ্ৰীগিৰীশ দত্ত, ঢকুৱাখনা
শ্ৰীকেশৱ মহন্ত, তিতাবৰ
শ্ৰীসোনাৰাম ভড়ালী, ধনশিৰি
শ্ৰীঅম্বিকাপদ গোস্বামী, ৰঙিয়া
শ্ৰীনাৰায়ণ বৰা, মাজুলী

মঃ ইউচুফ আলি মণ্ডল, হাটশিঙিমাৰি
শ্ৰীকল্যাণ কুমাৰ ৰায়চৌধুৰী, হামৰেন
শ্ৰীগোপীনাথ ব্ৰহ্ম, গোসাইগাওঁ
শ্ৰীদুলাল দত্ত, ধেমাজী
শ্ৰীদিপাংকৰ চক্ৰৱৰ্ত্তী, তিনিচুকীয়া
শ্ৰীচন্দ্ৰ বসুমতাৰী, কোকৰাঝাৰ
শ্ৰীমইনুল হক বৰভূঞা, হাইলাকান্দি
শ্ৰীলক্ষেশ্বৰ বৰা, কলিয়াবৰ
শ্ৰীসাধন কুমাৰ দত্ত, বদৰপুৰ
শ্ৰীৰবিন কলিতা, বজালী
শ্ৰীনৰেন শৰ্মা, মঙ্গলদৈ
শ্ৰীমনাৰুল ইছলাম, গোৱালপাৰা

**আমন্ত্ৰিত সদস্য ঃ (সন্থা, সংঘৰ তৰফৰ পৰা)**

শ্ৰীদিলীপ শৰ্মা, সদৌ অসম মাধ্যমিক বিদ্যালয় সহায়ক সন্থা।
শ্ৰীঅনিল বৰ্মন, যান্ত্ৰিক শ্ৰমিক সংঘ, অসম।
শ্ৰীচেনিৰাম ভূঞা, সদৌ অসম কনিষ্ঠ কৃষি বিষয়া সন্থা।
শ্ৰীপ্ৰভাত কলিতা, সদৌ অসম পশুচিকিৎসা ক্ষেত্ৰ সহায়ক সন্থা।
শ্ৰীমনোজ লহকৰ, সদৌ অসম অ'বিবি শিক্ষক সন্থা।
শ্ৰীযোগেন্দ্ৰ নাথ পাঠক, সদৌ অসম শাখা সহকাৰী আৰু উপ-অভিযন্তা সেৱা সন্থা।
শ্ৰীপ্ৰফুল্ল বৰ্মন, সদৌ অসম চৰকাৰী বিদ্যালয় সেৱা সন্থা।
শ্ৰীমেঘেশ্বৰ ডেকা, অসম খাদীবোৰ্ড কৰ্মচাৰী সন্থা।
শ্ৰীপ্ৰদীপ শৰ্মা, সদৌ অসম ডায়েট বিষয়া সন্থা।
শ্ৰীযোগেশ্বৰ বৰদলৈ, ফৰেনচিক বিজ্ঞানাগাৰ অ-ৰাজপত্ৰিত কাৰিকৰী কৰ্মচাৰী সন্থা।
শ্ৰীদেৱেন শইকীয়া, সদৌ অসম ৰেচম বিভাগীয় চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা।
শ্ৰীসত্য প্ৰসাদ ৰাজখোৱা, অসম প্ৰাথমিক শিক্ষা পৰিকল্পনা আৰু পৰিসংখ্যা সেৱা সন্থা।
শ্ৰীমিলন পাঠক, শক্তি চালিত যন্ত্ৰ চালক সন্থা।
শ্ৰীফকৰুদ্দিন আহমেদ, সদৌ অসম মেডিকেল লেব'ৰেটৰী টেকনিচিয়ান সন্থা।
শ্ৰীউৎপল চক্ৰৱৰ্ত্তী, সদৌ অসম কনিষ্ঠ মহাবিদ্যালয় শিক্ষক কৰ্মচাৰী সন্থা।

**বিশেষ আমন্ত্ৰিত সদস্য ঃ**

শ্ৰীপ্ৰমোদ চৌধুৰী, সদৌ অসম মাষ্টাৰৰোল, কেজুৱেল কৰ্মচাৰী সমন্বয়ৰক্ষী সমিতি।

শ্ৰীচন্দ্ৰ কলিতা, সদৌ অসম মাষ্টাৰৰোল, কেজুৱেল কৰ্মচাৰী সমন্বয়ৰক্ষী সমিতি।
মঃ অজিত আলি, অসম কৃষি বিশ্ববিদ্যালয়, মাষ্টাৰৰোল কৰ্মচাৰী সন্থা।

**হিচাপ পৰীক্ষক ঃ**

শ্ৰীপ্ৰবোধ শৰ্মা
শ্ৰীসত্যজিত বৰা

**কৰ্ণধাৰ সমিতি ঃ**

| | | |
|---|---|---|
| শ্ৰীসুৰেন বৰা | ঃ | উপদেষ্টা |
| শ্ৰীপ্ৰদীপ কুমাৰ বৰা | ঃ | সভাপতি |
| শ্ৰীবাসৱ চন্দ্ৰ কলিতা | ঃ | সম্পাদক প্ৰধান |
| ড° গোবিন্দ দাস | ঃ | সদস্য |
| শ্ৰীকৃষ্ণকান্ত তালুকদাৰ | ঃ | ঐ |
| শ্ৰীধনেশ্বৰ শৰ্মা | ঃ | ঐ |
| শ্ৰীযোগেন গায়ন | ঃ | ঐ |
| শ্ৰীনগেন দাস | ঃ | ঐ |
| শ্ৰীতনুকৃষ্ণ গোস্বামী | ঃ | ঐ |
| শ্ৰীকৃপাচন্দ্ৰ কলিতা | ঃ | ঐ |
| শ্ৰীপদ্মকান্ত বৰা | ঃ | ঐ |
| শ্ৰীখগেন ডেকা | ঃ | ঐ |
| শ্ৰীফকৰুদ্দিন আহমেদ | ঃ | ঐ |
| শ্ৰীআবেদ আলি আহমেদ | ঃ | ঐ |
| শ্ৰীনিৰ্মল কুমাৰ পাল | ঃ | ঐ |
| শ্ৰীঅনুপ কুমাৰ বৰঠাকুৰ | ঃ | ঐ |
| শ্ৰীপান্না পাল | ঃ | ঐ |
| শ্ৰীকালাচান্দ সিং | ঃ | ঐ |
| শ্ৰীঠানু বুঢ়াগোহাই | ঃ | ঐ |
| শ্ৰীনুৰুল ইছলাম | ঃ | ঐ |
| শ্ৰীজিতেন বৰ্মন | ঃ | ঐ |
| শ্ৰীবুলুমা শইকীয়া | ঃ | ঐ |
| শ্ৰীঅতুল ৰায় মণ্ডল | ঃ | ঐ |
| শ্ৰীবিৰেন কুমাৰ ডেকা | ঃ | ঐ |
| শ্ৰীকানন বৰদলৈ | ঃ | ঐ |
| শ্ৰীপ্ৰদীপ ৰাজখোৱা | ঃ | ঐ |

OKDISCD

**বন্ধু-বান্ধৱী সকল,**

যোৱা ১১, ১২ আৰু ১৩ জুন, ০৯ তাৰিখত তেজপুৰ জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত তেজপুৰত পৰিষদৰ পঞ্চবিংশতিতম বাৰ্ষিক সাধাৰণ সভা আৰু মুকলি অধিবেশন অনুষ্ঠিত হৈ যায়। পঞ্চবিংশতিতম বাৰ্ষিক অধিবেশনৰ সাধাৰণ সভাই নিম্নোক্ত প্ৰস্তাৱ সমূহ গ্ৰহণ কৰে আৰু কাৰ্য্যকৰীকৰণৰ বাবে কেন্দ্ৰীয় কাৰ্য্যকৰী সমিতিক কৰ্ত্তৃত্ব প্ৰদান কৰে।

**(১) অসম দৰমহা আয়োগ** - ৰাজ্য চৰকাৰে গঠন কৰা ভাস্কৰ বৰুৱা নেতৃত্বাধীন অসম দৰমহা আয়োগে (২০০৮) এবছৰীয়া কাৰ্য্যকালৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব নোৱাৰাত সভাই আচৰ্য্য প্ৰকাশ কৰে। সভাই অতি শীঘ্ৰে কেন্দ্ৰীয় চৰকাৰৰ সমাহাৰত আৰু ২০০৬ চনৰ ১ জানুৱাৰীৰ পৰা কাৰ্য্যকৰী হোৱাকৈ ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰীসকলক সংশোধিত দৰমহা তথা অন্যান্য সা-সুবিধা আদায় দিয়াৰ দাবীত ৭ জুনত কেন্দ্ৰীয় কাৰ্য্যকৰী সমিতিয়ে গ্ৰহণ কৰা সিদ্ধান্ত অনুযায়ী ১৭ জুনত দিশপুৰ লাষ্টগেটত অবস্থান ধৰ্মঘটৰ কাৰ্য্যসূচী ৰূপায়ণ সিদ্ধান্ত কৰা হয়। পৰবৰ্ত্তী সময়ত দৰমহা আয়োগৰ কাম-কাজ সম্পৰ্কত তাৎক্ষণিক সিদ্ধান্ত গ্ৰহণৰ বাবে কেন্দ্ৰীয় কাৰ্য্য-নিৰ্বাহক সমিতিক কৰ্ত্তৃত্ব প্ৰদান কৰে।

**(২) টাইমস্কেল পদোন্নতি** - কেন্দ্ৰীয় চৰকাৰৰ Assured Career Prograssion Scheme ৰ আধাৰত টাইমস্কেল পদোন্নতি দিয়াৰ বাবে উত্থাপন কৰা দাবীৰ ভিত্তিত ৰাজ্য চৰকাৰে গঠন কৰা সুভাষ দাস কমিটিৰ প্ৰতিবেদন আৰু শেহতীয়া ভাবে কেন্দ্ৰীয় চৰকাৰে পূৰ্বৰ দু টা পদোন্নতিৰ ঠাইত তিনিটা পদোন্নতি নিশ্চিত কৰাৰ পিছত অসম দৰমহা আয়োগক টাইমস্কেল পদোন্নতিৰ ব্যৱস্থা কৰাৰ বাবে স্মাৰকপত্ৰ যোগে দাবী জনোৱা হয়। অসম দৰমহা আয়োগৰ প্ৰতিবেদনত এই সম্পৰ্কে নিশ্চিত ভাবে পৰামৰ্শ আগবঢ়োৱাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাই প্ৰস্তাৱ গ্ৰহণ কৰে।

**(৩) ৱাৰ্কচাৰ্জ, মাষ্টাৰৰোল কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণ ঃ** ১-৪-৯৩ ইং তাৰিখৰ পূৰ্বে নিয়োজিত কিন্তু নিয়মীয়া হবলৈ বৈ যোৱা মাষ্টাৰৰোল, ৱাৰ্কচাৰ্জ, ফিক্সপে, কেজুৱেল, দক্ষ-অদক্ষ, আদি নামকৰণেৰে কৰ্ত্তব্যৰত শ্ৰমিক, কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ বাবে আৰু ১-৪-৯৩ চনৰ পিছত নিযুক্ত আৰু ২০০১ চনৰ জানুৱাৰীত ৫ বছৰ সম্পূৰ্ণ কৰা কৰ্মচাৰী সকলৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ বাবে পঞ্চবিংশতিতম অধিবেশনে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰে ।

**(৪) বিদ্যালয় প্ৰাদেশীকৰণ ঃ** অসম চৰকাৰৰ শিক্ষা বিভাগৰ দ্বাৰা স্বীকৃতি প্ৰদান কৰা প্ৰাথমিক বিদ্যালয়ৰ পৰা কণিষ্ঠ মহাবিদ্যালয় পৰ্য্যন্ত বিদ্যালয় সমূহ প্ৰাদেশীকৰণ কৰাৰ বাবে সভাই দাবী জনায়।



OKDISCD

**(৫) শিক্ষকৰ আৰ্জিত ছুটী ঃ** অসমৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা মহাবিদ্যালয় পৰ্য্যায়লৈ শিক্ষক সকলে আৰ্জিত ছুটী বছৰেকত ১০ দিন আৰু অৱসৰ গ্ৰহণৰ পিছত ছুটী বিক্ৰীৰ লাভালাভ ৮০ দিন লাভ কৰে যদিও পৰিষদে অন্যান্য কৰ্মচাৰীৰ দৰে শিক্ষক-শিক্ষয়িত্ৰী সকলৰ আৰ্জিত ছুটী বছৰেকত ৩০ দিন আৰু অবসৰ গ্ৰহণৰ সময়ত ৩০০ দিনৰ ছুটী বিক্ৰীৰ লাভালাভ দিয়াৰ বাবে পুনৰ দাবী জনোৱা হয়।

**(৬) অনুকম্পামুলক নিযুক্তি ঃ** চাকৰি কালত মৃত্যুবৰণ কৰা শিক্ষক, কৰ্মচাৰী পৰিয়ালৰ যোগ্যজনে অতি কম দিনৰ ভিতৰতে নিযুক্তি পোৱাটো নিশ্চিত কৰাৰ বাবে অধিবেশনে দাবী জনায়।

**(৭) খালি পদত নিযুক্তি ঃ** ৰাজ্যখনৰ প্ৰায়বোৰ বিভাগতে যথেষ্ট সংখ্যক পদ খালী হৈ থকাৰ ফলত শিক্ষানুষ্ঠান বা কাৰ্য্যালয় সমূহত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। বিত্ত বিভাগে কিছু সংখ্যক পদ মুকলি কৰি দিছে যদিও শিক্ষানুষ্ঠান আৰু কাৰ্য্যালয় সমূহত জোৰা মাৰিব পৰা নাই। সেয়েহে সভাই খালি পদ সমূহ পূৰণৰ বাবে ব্যৱস্থা লবলৈ দাবী জনায়।

**(৮) অবিবি শিক্ষকৰ চাকৰি ঃ** অসম চৰকাৰে মাত্ৰ এঘাৰ মাহৰ বাবে নিযুক্তি প্ৰদান কৰা অবিবি শিক্ষক সকলৰ মাহিলী পাৰিশ্ৰমিক মুকলি কৰি দিয়াৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ উপৰিও নিয়মীয়াকৰণৰ বাবে ৰাজ্য চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰা হৈছে। শেহতীয়াভাবে গুৱাহাটী উচ্চ ন্যায়ালয়ে নিয়মীয়াকৰণৰ সপক্ষে ৰায় প্ৰদান কৰাত শীঘ্ৰে সেই সকল শিক্ষকৰ চাকৰি নিয়মীয়াকৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ দাবী জনোৱা হয়।

**(৯) চাকৰি সেৱা বিধি ঃ** সকলোবোৰ বিভাগতে চাকৰি সেৱা বিধি নিশ্চিত ভাবে প্ৰস্তুত কৰি নিযুক্তি, পদোন্নতিত থকা আসোঁৱাহ দুৰীকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ সভাই দাবী জনায়।

**(১০) নিম্নবৰ্গ সহায়কৰ দৰমহা নিৰ্দ্ধাৰণ ঃ** জিলা পৰ্য্যায়ত কাম কৰা নিম্নবৰ্গ সহায়ক সকলৰ দৰমহা নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত ১৯৮১ চনৰ দৰমহা আয়োগে ২৭৫ টকা মূল দৰমহাৰ ভিত্তিত দৰমহা নিৰ্দ্ধাৰণ নকৰি ২৪০ টকা মূল দৰমহাৰ ভিত্তিত নিৰ্দ্ধাৰণ কৰাত পৰৱৰ্ত্তী কালত ১৯৮৮ আৰু ১৯৯৪ চনৰ দৰমহা আয়োগেও ১৯৮১ চনৰ দৰমহা আয়োগৰ অনুমোদনৰ ভিত্তিতেই দৰমহা নিৰ্দ্ধাৰণ কৰাত এই সকল কৰ্মচাৰী ন্যায্য প্ৰাপ্তিৰ পৰা বঞ্চিত হৈ থাকিল। সেয়েহে উক্ত আসোঁৱাহ দূৰ কৰি জিলা পৰ্য্যায়ৰ নিম্নবৰ্গৰ সহায়ক সকলৰ প্ৰতি ন্যায় প্ৰদান কৰিবলৈ পৰিষদে পুনৰবাৰ দাবী উত্থাপন কৰে।

**(১১) ৰাষ্ট্ৰীয় শিক্ষানীতি ঃ** সভাই কোঠাৰী আয়োগৰ পৰামৰ্শ আৰু ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত + ২ স্তৰৰ শিক্ষা ব্যৱস্থাটো ছাত্ৰ-ছাত্ৰীসকলৰ কল্যাণৰ স্বাৰ্থত অসমৰ বিদ্যালয় আৰু স্নাতক মহাবিদ্যালয়ৰ পৰা পৃথকীকৰণ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰে।

OKDISCD

**(১২) Computer Training Centre ঃ** কৰ্মচাৰীৰ মাজত Information Technology ৰ প্ৰসাৰণৰ স্বাৰ্থত পৰিষদৰ **তত্বাৱধানত এক** Computer Training Centre স্থাপনৰ বাবে যাৱতীয় সাহায্য আগবঢ়াবলৈ পৰিষদে ৰাজ্য চৰকাৰক আহ্বান জনাই প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

**(১৩) অসম চুক্তি ৰূপায়ণ ঃ** অসম চুক্তি স্বাক্ষৰিত হোৱাৰ সুদীৰ্ঘ ২৫ বছৰৰ অন্তত চুক্তিৰ কেইটামান দফা কাৰ্য্যকৰী কৰাৰ বাবে সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত কেইবালানি আলোচনা হোৱাটো আশাব্যঞ্জক বুলি পৰিষদে অনুভৱ কৰে। দফা সমূহ কাৰ্য্যকৰী কৰাৰ বাবে এক সময় নিৰ্দ্ধাৰিত কাৰ্য্যসূচী ঘোষণা কৰি কাম আৰম্ভ কৰিব লাগে। অসমলৈ বিদেশী নাগৰিকৰ অনুপ্ৰৱেশ বন্ধ কৰা হওঁক আৰু যথাসম্ভৱ সোনকালে অসম ভূমিৰ পৰা বহিস্কাৰ কৰাটো নিশ্চিত হওঁক। এখন শুদ্ধ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী তৈয়াৰ কৰা হওঁক, সীমান্ত এলেকাত কাঁইটীয়া তাঁৰৰ বেৰৰ কাম শীঘ্ৰে সম্পূৰ্ণ কৰা হওঁক। ৰাজনৈতিক লাভালাভৰ চিন্তা-চৰ্চাৰ উৰ্দ্ধত অসমবাসীৰ স্বাৰ্থত গ্ৰহণ কৰা সকলো ব্যৱস্থাৱলীত সৰ্বাত্মক সহযোগিতা আগবঢ়োৱাৰ বাবে পৰিষদ সাজু। ২২/১১/২০০৮ তাৰিখে অসম চুক্তিৰ ওপৰত গুৱাহাটীত সদৌ অসম কৰ্মচাৰী পৰিষদে এক ৰাজ্যিক অভিবৰ্ত্তন অনুষ্ঠিত কৰি তেনে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে, কিন্তু শেহতীয়াভাবে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী সন্দৰ্ভত হোৱা বিতৰ্ক এৰাই চলাৰ বাবে শীঘ্ৰে সংশ্লিষ্ট পক্ষসমূহে আলোচনাত মিলিত হোৱাটো পৰিষদে কামনা কৰে।

**(১৪) বিদ্ৰোহী সংগঠনৰ লগত আলোচনা ঃ** আলফাৰ লগত আৰম্ভ হোৱা শান্তি আলোচনা কোনো কাৰণতে কোনো পক্ষৰ দ্বাৰা ব্যাহত হোৱাৰ পৰিবেশ সৃষ্টি নকৰিবলৈ পৰিষদে সকলো পক্ষলৈ আহ্বান জনায় আৰু অন্যান্য বিদ্ৰোহী সংগঠনৰ লগতো আলাপ-আলোচনা প্ৰক্ৰিয়া আৰম্ভ কৰাৰ বাবে সভাই আহ্বান জনায়।

**(১৫) ক্ষতিপূৰণৰ ব্যৱস্থা ঃ** কাৰ্বিআংলং আৰু উত্তৰ কাছাৰ স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনত উগ্ৰপন্থীৰ আক্ৰমণত মৃত্যুবৰণ কৰা কৰ্মচাৰীসকলক ততালিকে কাৰ্য্যকৰী হোৱাকৈ উপযুক্ত পৰিমাণৰ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা হওঁক।

**(১৬) আলোচনাৰ ভিত্তিত দাবীৰ মীমাংসা ঃ** সদৌ অসম কৰ্মচাৰী পৰিষদৰ সদস্যভুক্ত সকলো সন্থা, সংঘ, সন্মিলনীয়ে দাখিল কৰা দাবী চনদৰ ওপৰত সংশ্লিষ্ট কৰ্তৃপক্ষ সমূহে / বিভাগে সংগঠন সমূহৰ লগত আলোচনাৰে দাবী সমূহ মীমাংসা কৰিবলৈ পৰিষদৰ তৰফৰ পৰা দাবী উত্থাপন কৰাৰ লগতে প্ৰয়োজনবোধে সদৌ অসম কৰ্মচাৰী পৰিষদৰ নেতৃত্বই সমন্বয়ৰক্ষীৰ দায়িত্ব পালন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে।

যোৱা কেইটামান বছৰত ৰাজ্য চৰকাৰ আৰু পৰিষদৰ মাজত আলোচনাৰ মাধ্যমত মীমাংসা হোৱা বিষয় কেইটাৰ বিষয়ে আৰু কাৰ্য্যকৰীকৰণৰ থুলমুল আভাষ তলত দাঙি ধৰা হ'ল।



OKDISCD

১। কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী আৰু ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ মাজত থকা প্ৰায় ১৮ শতাংশ মৰগীয়া বানচ পৰ্য্যন্ত ব্যৱধান নাইকীয়া কৰি কেন্দ্ৰীয় চৰকাৰৰ সমানে মৰগীয়া বানচ আদায় আৰু বকেয়া ধনো নগদ হিচাপে আদায় পোৱাৰ ব্যৱস্থা।

২। চিকিৎসা বানচ ২৫০ টকাৰ ঠাইত ৩৫০ টকালৈ বৃদ্ধি ।

৩। পাহাৰী জিলা দুখন আৰু ধেমাজী, মাজুলী, ঢকুৱাখানা, জোনাই, শদিয়াৰ কৰ্মচাৰীৰ বাবে যোৱা দৰমহা আয়োগে বন্ধ কৰা ক্ৰমে পাহাৰী ভাট্টা আৰু অনুকম্পামুলক ভাট্টা ৫ শতাংশ আদায়।

৪। তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ পদোন্নতিৰ ক্ষেত্ৰত জটিলতা ব্যৱস্থাবোৰৰ সৰলীকৰণ।

৫। ৱাৰ্কচাৰ্জ আৰু মাষ্টাৰৰোল কৰ্মচাৰীৰ ৩১০৪৯ গৰাকী কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণ।

৬। ৫০ শতাংশ মৰগীয়া বানচ মুল দৰমহাত সংলগ্ন।

৭। কৰ্মচাৰীৰ অৱসৰৰ বয়স ৬০ বছৰলৈ বৃদ্ধি।

৮। অৱসৰ গ্ৰহণৰ বাবে ৮ বছৰ থকা অৱস্থাত দেশৰ অন্যান্য স্থানলৈ পৰিয়াল সহ ভ্ৰমণৰ সুবিধা।

৯। ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সকলৰ বাবে ৪০ শতাংশ অন্তবৰ্ত্তীকালিন সকাহ মুকলি।

**ৰাজ্য চৰকাৰৰ লগত আলোচনা**

* ২০০৩ চনৰ ১৪ চেপ্তেম্বৰত ৰাজ্য চৰকাৰে গঠন কৰা পৰীক্ষামূলক কমিটিৰ অধ্যক্ষ এছ কাবিলানৰ সৈতে প্ৰায়বোৰ বিভাগৰে উচ্চ পদস্থ বিষয়াসকলৰ উপস্থিতিত পৰিষদৰ নেতৃত্বৰ প্ৰথম বাৰৰ বাবে আলোচনা।

* ২০০৩ চনৰ ১৯ ডিচেম্বৰত অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ, ৰাজ্যিক বিত্তমন্ত্ৰী শ্ৰীনীলমণি সেন ডেকা, মুখ্য সচিব জে, পি, ৰাজখোৱাকে ধৰি উচ্চ পদস্থ বিষয়াবৰ্গ আৰু পৰিষদৰ কৰ্ণধাৰ সমিতিৰ সদস্য সকলৰ মাজত আনুষ্ঠানিক আলোচনা।

* ২০০৪ চনৰ ২১ ফেব্ৰুৱাৰীত মাননীয় মুখ্যমন্ত্ৰী, মুখ্য সচিবকে ধৰি উচ্চ পদস্থ বিষয়া সকলৰ উপস্থিতিত পৰিষদৰ কৰ্ণধাৰ সমিতিৰ মাজত আলোচনা।

* ২০০৫ চনৰ ১ জুন তাৰিখে মুখ্যমন্ত্ৰী, ৰাজ্যিক বিত্তমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপৰিও অসম চৰকাৰৰ মুখ্য সচিব, বিত্ত আয়ুক্ত, শিক্ষা আয়ুক্তকে ধৰি উচ্চ পদস্থ বিষয়া সকলৰ উপস্থিতিত পৰিষদৰ কৰ্ণধাৰ সমিতিৰ লগত আলোচনা।

OKDISCD

* ২০০৬ চনৰ ১৮ জুলাইত মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, অসম চৰকাৰৰ মুখ্যসচিব, বিত্ত আয়ুক্ত, শিক্ষা আয়ুক্তকে ধৰি উচ্চ পদস্থ বিষয়া আৰু পৰিষদৰ কৰ্ণধাৰ সমিতিৰ মাজত আলোচনা।
* ২০০৭ চনৰ ২ জানুৱাৰীত মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যসচিব শ্ৰীপ্ৰফুল্ল শৰ্মাৰ উপৰিও স্বাস্থ্য বিভাগৰ প্ৰধান সচিব, শিক্ষা বিভাগৰ আয়ুক্ত সচিবকে ধৰি উচ্চ পদস্থ বিষয়াসকলৰ উপস্থিতিত পৰিষদৰ কৰ্ণধাৰ সমিতিৰ মাজত আলোচনা।
* ২০০৭ চনৰ ৮ নবেম্বৰত অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ, কৰ্মচাৰীৰ সমস্যাবোৰ চোৱাচিতা কৰাৰ বাবে গঠিত কেবিনেট উপ সমিতিৰ অধ্যক্ষ তথা ৰাজহ মন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মন, অসম চৰকাৰৰ বিত্ত বিভাগৰ প্ৰধান সচিব, বিত্ত আয়ুক্ত, শিক্ষা আয়ুক্তকে ধৰি উচ্চ পদস্থ বিষয়া আৰু কৰ্ণধাৰ সমিতিৰ মাজত আলোচনা।
* ২০০৮ চনৰ ৩০ ডিচেম্বৰত অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ, মুখ্য সচিব শ্ৰীপ্ৰফুল্ল শৰ্মাৰ উপৰিও স্বাস্থ্য বিভাগৰ প্ৰধান সচিব, শিক্ষা বিভাগৰ আয়ুক্ত সচিবকে ধৰি উচ্চ পদস্থ বিষয়াসকলৰ উপস্থিতিত পৰিষদৰ কৰ্ণধাৰ সমিতিৰ লগত আলোচনা।
* ২০০৯ চনৰ ২৯ আগষ্টত মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ, বিত্ত বিভাগৰ প্ৰধান সচিবকে ধৰি উচ্চ পদস্থ বিষয়া সকলৰ উপস্থিতিত কৰ্ণধাৰ সমিতিৰ লগত আলোচনা।

পৰিষদৰ দাবীসমূহ মীমাংসাৰ স্বাৰ্থত আনুষ্ঠানিক আলোচনাৰ বাহিৰেও মুখ্যমন্ত্ৰী, উচ্চ পদস্থ বিষয়াসকলৰ লগত সময়োচিত ভাবে যোগাযোগ ৰখা হৈছে।

**অসম দৰমহা আয়োগ, ২০০৮, বিস্তৃত ব্যাখ্যা ঃ**

সদৌ অসম কৰ্মচাৰী পৰিষদৰ তেজপুৰ অধিবেশনৰ যোৱা জুন মাহত সফল সামৰণি পৰাৰ পিছতে ৰাজ্য চৰকাৰে গঠন কৰা অসম দৰমহা আয়োগৰ প্ৰতিবেদন সময়োচিত ভাবে দাখিল কৰাৰ দাবীত অন্যান্য কাম-কাজ সীমিত ৰাখিব লগীয়া হয়। ভাস্কৰ বৰুৱা নেতৃত্বাধীন অসম দৰমহা আয়োগে সময়মতে প্ৰতিবেদন দাখিল কৰাত ব্যৰ্থ হোৱাত ১ জুন তাৰিখে সমগ্ৰ ৰাজ্য জুৰি কলা দিবস পালন কৰা হয়। ১ জুনৰ পৰা অতিৰিক্ত তিনিমাহ কাৰ্য্যকাল বৃদ্ধি কৰাৰ পিছত তেজপুৰ অধিবেশনত লোৱা সিদ্ধান্ত অনুসৰি ১৭ জুন /০৯ তাৰিখে দিশপুৰ লাষ্টগেটত অৱস্থান ধৰ্মঘট কাৰ্য্যসূচীৰে প্ৰতিবাদ সাব্যস্ত কৰা হয়। অসম দৰমহা আয়োগৰ বৰ্দ্ধিত কাৰ্য্যকালৰ সময় ছোৱাত প্ৰতিবেদন দাখিল কৰাতো নিশ্চিত কৰাৰ দাবীত পুনৰ পৰিষদৰ

OKDISCD

প্ৰতিনিধিমূলক সভাই ৰাজ্যখনৰ পূব, পশ্চিম, উত্তৰাঞ্চল, বৰাক উপত্যকাকে ধৰি চাৰিটা স্থানত প্ৰতিবাদী কৰ্মচাৰী সমাবেশ অনুষ্ঠিত কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ বাবে লোৱা সিদ্ধান্ত অনুসাৰে ১৮ জুলাই /০৯ তাৰিখে ওদালগুৰি জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত ওদালগুৰিত, ১০ আগষ্ট/০৯ তাৰিখে তিনিচুকীয়া জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত তিনিচুকীয়াত, ১৩ আগষ্ট /০৯ তাৰিখে বৰপেটা জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত বৰপেটাত আৰু ১৯ আগষ্ট /০৯ তাৰিখে বৰাক উপত্যকাত শিলচৰ জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত শিলচৰত বিশাল প্ৰতিবাদী কৰ্মচাৰী সমাবেশ অনুষ্ঠিত কৰা হয়। ৩ মাহ বৰ্দ্ধিত সময় সীমাৰ ভিতৰতো আয়োগে প্ৰতিবেদন দাখিল কৰাত ব্যৰ্থ হোৱাত ২ আৰু ৩ চেপ্তেম্বৰ/০৯ তাৰিখে দুদিনীয়া কাৰ্য্যসূচীৰে কৰ্মবিৰতি কাৰ্য্যসূচী ঘোষণা কৰা হয়। উক্ত কাৰ্য্যসূচী ঘোষণা কৰাৰ পিছতে ৰাজ্য চৰকাৰে চেপ্তেম্বৰ মাহটোৰ বাবেহে কাৰ্য্যকাল বঢ়াই দিয়া বুলি পৰিষদক লিখিতভাবে অবগত কৰে। পৰিষদে বিষয়টো আলাচনাৰ মাধ্যমত সিদ্ধান্ত হব লাগে বুলি আগবঢ়োৱা প্ৰস্তাৱৰ প্ৰতি সন্মতি জনাই ২৯ আগষ্টত মুখ্যমন্ত্ৰীৰ উপস্থিতিত আলোচনা হয় আৰু সিদিনাই অতিৰিক্ত ১৫ শতাংশ অন্তৰ্বৰ্ত্তীকালিন সকাহ মঞ্জুৰ কৰাৰ সিদ্ধান্ত হোৱাত কৰ্ম বিৰতি কাৰ্য্যসূচী প্ৰত্যাহাৰ কৰা হয়। ৩০ চেপ্তেম্বৰ /০৯ তাৰিখতো অসম দৰমহা আয়োগে প্ৰতিবেদন দাখিল কৰিব নোৱাৰাত পৰিষদৰ তৰফৰ পৰা তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা হয়। আনহাতে মুখ্যমন্ত্ৰীয়েও ১৫ দিন কাৰ্য্যকাল বৃদ্ধি কৰি এয়া অন্তিমবাৰৰ বাবে চূৰান্ত সময়সীমা বান্ধি দিয়া বুলি ঘোষণা কৰে। অৱশেষত ১৫ অক্টোবৰ /০৯ তাৰিখত অসম দৰমহা আয়োগে মুখ্যমন্ত্ৰীৰ হাতত প্ৰতিবেদন দাখিল কৰে।

দৰমহা আয়োগৰ প্ৰতিবেদন মুখ্যমন্ত্ৰীৰ হাতত অৰ্পণ কৰাৰ পিছত ২৩ অক্টোবৰ/০৯ তাৰিখে মন্ত্ৰী সভাই আয়োগৰ প্ৰতিবেদনখন ফহিয়াই চোৱাৰ বাবে তিনিজনীয়া কমিটি গঠন কৰি দিয়ে আৰু প্ৰতিবেদনৰ মুল দৰমহা গাঁথনি সহ মূল অংশ প্ৰকাশ কৰাৰ বাবে অনুমোদন জনোৱাত ৩০ অক্টোবৰত ৰাজ্য চৰকাৰে আংশিক প্ৰতিবেদন প্ৰকাশ কৰে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা প্ৰতিবেদনৰ অংশ বিশেষ দৃষ্টিগোচৰ হোৱাৰ লগে লগে সন্নিবিষ্ট বিষয় কেইটিৰ ওপৰত সিদিনাই প্ৰতিক্ৰিয়া ব্যক্ত কৰা হয়। পে-ৰানিং বেণ্ড, গ্ৰেড-পে, বাৰ্ষিক বৃদ্ধিৰ ওপৰত আসোঁৱাহ দাঙি ধৰাৰ উপৰিও ঘৰভাৰা বানচ, অন্যন্য বানচ, সমূহৰ ক্ষেত্ৰতো পৰিষদৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰা হয়। টাইমস্কেল পদোন্নতি, শিক্ষকৰ অৱসৰকালিন ছুটী বিক্ৰীৰ লাভালাভৰ ক্ষেত্ৰত আয়োগৰ পৰামৰ্শাৱলীত সন্তোষজনক অনুমোদন জনোৱা নাই । কৰ্মচাৰী সংগঠন সমূহে যথাযথভাবে আয়োগৰ ওচৰত সমস্যাবোৰ উপস্থাপন কৰাৰ পিছত আয়োগে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিলে সেই সম্পৰ্কেও সম্পূৰ্ণ প্ৰতিবেদনখনত অন্ধকাৰত থাকি গ'ল। দৰমহা আয়োগৰ আংশিক প্ৰতিবেদন প্ৰকাশ হোৱাৰ পিছত ১ নৱেম্বৰত নগাওঁত কেন্দ্ৰীয় কাৰ্য্যকৰী সমিতিৰ সভা, ৭ নৱেম্বৰত নলবাৰীত কৰ্ণধাৰ সমিতিৰ

OKDISCD

সভা আৰু ১২ নবেম্বৰত গুৱাহাটীত প্ৰতিনিধিত্বমূলক সভা অনুষ্ঠিত কৰি প্ৰতিবেদনত থকা আসোঁৱাহ সমূহ আঙুলিয়াই দি কেন্দ্ৰীয় চৰকাৰৰ সমহাৰত দৰমহা গাঁথনি তথা অন্যান্য সা-সুবিধা সমূহ আদায় দিয়াৰ বাবে সংশ্লিষ্ট সকললৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হয়। ৩০ নবেম্বৰত তিনিজনীয়া কমিটিয়ে মুখ্যমন্ত্ৰীৰ ওচৰত প্ৰতিবেদন দাখিল কৰাত শীঘ্ৰে মন্ত্ৰী সভাই আসোঁৱাহ সমূহ দূৰীকৰণ কৰি কেন্দ্ৰৰ সমহাৰত দৰমহা তথা অন্যান্য সা-সুবিধা সমূহ আদায় দিয়াৰ বাবে অনুমোদন জনাব বুলি আশা কৰা হৈছিল যদিও ১৯ ডিচেম্বৰত অনুষ্ঠিত হোৱা মন্ত্ৰী সভাৰ বৈঠকত তেনে কোনো সালসলনি কৰা প্ৰত্যক্ষ নহ'ল। ডিচেম্বৰ মাহৰ ২০ তাৰিখে পুনৰ কৰ্ণধাৰ সমিতিৰ সভাই কেবিনেট বৈঠকৰ সিদ্ধান্ত সমূহ পৰ্য্যালোচনা কৰি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা হয় আৰু ২৮ ডিচেম্বৰ পৰ্য্যন্ত সময় দি মুখ্যমন্ত্ৰীৰ লগত আলোচনাৰ পোষকতা কৰা হয়। ৰাজ্য চৰকাৰৰ পৰা কোনো ইতিবাচক সহাৰি নোপোৱাত ২৯ ডিচেম্বৰ তাৰিখে অনুষ্ঠিত হোৱা কৰ্ণধাৰ সমিতিৰ সভাই এলানি কাৰ্য্যসূচী ঘোষণা কৰে।

সেইমতে ৬ জানুৱাৰী/২০১০ তাৰিখে জিলা কৰ্মচাৰী পৰিষদ সমূহৰ উদ্যোগত জিলা আৰু মহকুমা সদৰ স্থানত 'ধৰ্ণা' কাৰ্য্যসূচী।

১১ জানুৱাৰী/২০১০ তাৰিখে কেন্দ্ৰীয় কাৰ্য্যকৰী সমিতি, সন্থা সংঘৰ সভাপতি/সম্পাদক আৰু জিলা কৰ্মচাৰী পৰিষদ সমূহৰ সভাপতি/সাধাৰণ সম্পাদক সকলক লৈ দিশপুৰ লাষ্টগেটত অৱস্থান ধৰ্মঘট আৰু সংগঠন সমূহৰ বেনাৰ প্ৰদৰ্শন কৰি প্ৰতিবাদ সাব্যস্তকৰণ।

কৰ্ণধাৰ সমিতিৰ সভাই ৰাজ্য চৰকাৰে আসোঁৱাহযুক্ত মূল দৰমহা গাঁথনিৰে নতুন দৰমহা আদায় দিয়াৰ বাবে গ্ৰহণ কৰা সিদ্ধান্তৰ প্ৰতিবাদত ধুবুৰীত অনুষ্ঠিত হবলগীয়া পৰিষদৰ বাৰ্ষিক সাধাৰণ সভাৰ কাৰ্য্যসূচী সীমিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। কৰ্ণধাৰ সমিতিৰ সভাই পৰিষদৰ লগত আলোচনাৰ মাধ্যমত নিম্নোক্ত বিষয় সমূহ মীমাংসা কৰাৰ বাবে ৰাজ্য চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিছে।

(১) কোনো চৰ্ত নোহোৱাকৈ কেন্দ্ৰীয় চৰকাৰৰ সমহাৰত ৰাজ্যিক কৰ্মচাৰী সকলক ৩ শতাংশ বাৰ্ষিক বৃদ্ধি (Annual Increment) দিয়াৰ ব্যৱস্থা কৰক।

(২) পে-বেণ্ড ১ আৰু ২ ৰ বিপৰীতে নিৰ্দ্ধাৰিত গ্ৰেড্‌পে কেন্দ্ৰীয় চৰকাৰৰ সমহাৰত ৪০ শতাংশ নিৰ্দ্ধাৰণ কৰক আৰু পে-বেণ্ড ৩, ৪ আৰু ৫ ৰ দৰমহা গাঁথনিত থকা বৈষম্য আৰু আসোঁৱাহ দূৰ কৰক।

(৩) নিজা ঘৰ বা ভাড়াঘৰ বুলি কোনো বৈষম্য নৰখাকৈ কেন্দ্ৰীয় চৰকাৰৰ নীতিৰ আধাৰত ঘৰ ভাড়া দিয়াৰ লগতে গুৱাহাটী মহানগৰীৰ বাবে ২০ শতাংশ ঘৰভাড়া আৰু কেন্দ্ৰীয় চৰকাৰৰ দৰে পৰিবহন (Transportation) ভাট্টা আদায় দিয়াটো নিশ্চিত কৰক।

(৪) ১/১/০৬ৰ পৰা ৩১/৩/২০০৯ তাৰিখলৈ প্ৰাপ্য বকেয়া কেনেধৰণে আদায় দিয়া হব - সেই নীতি স্পষ্ট কৰক।

(৫) ৰাজ্য চৰকাৰৰ অধীনস্থ শিক্ষক, বিষয়া, কৰ্মচাৰী সকলৰ নিজ নিজ দৰমহা গাঁথনিত থকা আসোঁৱাহ আৰু গ্ৰেড্‌পে আদিত থকা আসোঁৱাহ সমূহ প্ৰস্তাৱিত "আসোঁৱাহ নিৰাময়" কমিটিৰ জৰিয়তে সৰ্বাধিক ৬ মাহৰ ভিতৰত মীমাংসা কৰাটো নিশ্চিত কৰক।

(৬) পৰিষদৰ দাবীৰ ভিত্তিত ৰাজ্য চৰকাৰে গঠন কৰা 'সুভাষ দাস' কমিটিৰ প্ৰতিবেদন আৰু কেন্দ্ৰীয় চৰকাৰে সম্প্ৰতি সংশোধন কৰা ACP Scheme ৰ আধাৰত ৰাজ্যিক কৰ্মচাৰী সকলৰ টাইমস্কেল পদোন্নতিৰ ব্যৱস্থা কাৰ্য্যকৰী কৰক।

(৭) ১/১/২০০৬ তাৰিখৰ পৰা চিকিৎসা ভাট্টাৰ পৰিমাণ ১৫০০/- টকালৈ বৃদ্ধি কৰক।

(৮) ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সকলক সংশোধিত দৰমহা দিয়াৰ লগে লগে বিভিন্ন বিভাগত কৰ্মৰত মাষ্টাৰৰোল, ফিক্স-পে, কেজুৱেল কৰ্মচাৰী সকলৰ পাৰিশ্ৰমিক/মজুৰি বৃদ্ধি কৰক আৰু সেই সকলৰ চাকৰি নিয়মীয়াকৰণৰ বাবে খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰক।

কৰ্মচাৰীৰ কল্যাণৰ বাবে অসম দৰমহা আয়োগৰ প্ৰতিবেদনত সঠিক পৰামৰ্শ ৰাজ্য চৰকাৰৰ ওচৰত দাঙি ধৰাত ব্যৰ্থ হৈছে। সুদীৰ্ঘ দিন কৰ্মচাৰী সংগঠন সমূহৰ পৰা স্মাৰক পত্ৰ গ্ৰহণ, সাক্ষাৎকাৰলৈ আমন্ত্ৰণ কৰি সময় অতিবাহিত কৰা হ'ল যদিও এই সম্পৰ্কত প্ৰতিবেদনত কোনো বিশ্লেষাত্মক যুক্তি দাঙি ধৰা নহ'ল।

প্ৰতিবেদনখনত ৰাজ্য চৰকাৰৰ বৰ্ত্তমানৰ দৰমহা গাঁথনি, অন্যান্য সা-সুবিধা সমূহ দাঙি ধৰি উক্ত সা-সুবিধা সমূহৰ লগত কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত সমূহ তুলনামূলকভাবে উল্লেখ কৰি আয়োগৰ পৰামৰ্শ (Recomendation) দাঙি ধৰিছে।নতুনত্ব একো নাই। ACP Scheme ৰ আধাৰত Time Scale পদোন্নতিৰ বাবে অসম দৰমহা আয়োগে বিবেচনা কৰাৰ পৰা বিৰত থাকিল। স্বীকৃতিপ্ৰাপ্ত কৰ্মচাৰী সংগঠন সমূহৰ অধিবেশনৰ বাবে পোৱা বিশেষ ছুটী বন্ধ কৰাৰ বাবে দিয়া পৰামৰ্শ আক্ৰোশমূলক আৰু সাংবিধানিক অধিকাৰ খৰ্ব কৰাৰ প্ৰয়াস বুলি বিবেচিত হৈছে। চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নিযুক্তি বন্ধ কৰি ঠিকা ভিত্তিক ব্যৱস্থাৰ বাবেহে মত পোষণ কৰা হৈছে।

অৱশ্যে পৰিষদৰ দাবীৰ ভিত্তিত দক্ষিণ শালমাৰা মহকুমাধীন কৰ্মচাৰী সকলৰ বাবে ধেমাজী, মাজুলীৰ লেখিয়াকৈঅনুকম্পামূলক ভাট্টাৰ বাবে দৰমহা আয়োগে অনুমোদন জনাইছে। তাৰোপৰি শিক্ষক সকলৰ বাবে পৰিষদে দাবী কৰা ৩০০ দিনৰ বিপৰীতে অৱসৰকালীন ছুটী বিক্ৰীৰ সুবিধা ১৫০ দিন কৰাৰ বাবে অনুমোদন জনাইছে।



OKDISCD

## সভা সমিতি আৰু আন্দোলনৰ কাৰ্য্যসূচী

পৰিষদৰ তৰফৰ পৰা ৰাজ্যখনত এক আন্দোলন বৰ্জিত পৰিবেশ সৃষ্টি কৰাত গুৰুত্ব আৰোপ কৰা হৈছিল যদিও মাষ্টাৰৰোল, কেজুৱেল কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণত ৰাজ্য চৰকাৰৰ অনিহাৰ প্ৰতিবাদত যোৱা ১০ নবেম্বৰ/০৯ তাৰিখৰ পৰা সদৌ অসম মাষ্টাৰৰোল, কেজুৱেল কৰ্মচাৰী সমন্বয় সমিতিয়ে গ্ৰহণ কৰা আমৰণ অনশন কাৰ্য্যসূচীলৈ সমৰ্থন আগবঢ়োৱা হয় আৰু বিষয়টো ৰাজ্য চৰকাৰৰ দৃষ্টিগোচৰ কৰা হয়। আনহাতে অসম দৰমহা আয়োগৰ প্ৰতিবেদন দাখিলত বিলম্ব, প্ৰতিবেদন দাখিলৰ পিছত ৰাজ্য চৰকাৰৰ ভূমিকা আৰু প্ৰতিবেদনত থকা আসোঁৱাহ দূৰীকৰণৰ দাবীত পৰিষদৰ তৰফৰ পৰা লোৱা ব্যৱস্থাৰ থুলমূল তথ্য দাঙি ধৰা হ'ল। (১১, ১২ আৰু ১৩ জুন/০৯ তাৰিখৰ তেজপুৰ অধিবেশনৰ পিছত)

| | | |
|---|---|---|
| ১৭ জুন/০৯ | ঃ | দিশপুৰত অৱস্থান ধৰ্মঘট। |
| ১৮ জুন/০৯ | ঃ | কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সভা। |
| ১৮ জুলাই/০৯ | ঃ | ওদালগুৰিত কৰ্মচাৰীৰ বিশাল প্ৰতিবাদী সমাবেশ। |
| ৬ আগষ্ট/০৯ | ঃ | পৰিষদৰ সন্থা, সংঘৰ প্ৰতিনিধি, জিলা পৰিষদৰ সভাপতি/ সাধাৰণ সম্পাদক আৰু কেন্দ্ৰীয় সমিতিৰ উপস্থিতিত প্ৰতিনিধিত্বমূলক সভা। |
| ১০ আগষ্ট/০৯ | ঃ | তিনিচুকীয়াত কৰ্মচাৰীৰ বিশাল প্ৰতিবাদী সমাবেশ। |
| ১৩ আগষ্ট/০৯ | ঃ | বৰপেটাত কৰ্মচাৰীৰ বিশাল প্ৰতিবাদী সমাবেশ। |
| ১৪ আগষ্ট/০৯ | ঃ | পৰিষদৰ কৰ্ণধাৰ সমিতিৰ সভা। |
| ১৯ আগষ্ট/০৯ | ঃ | শিলচৰত কৰ্মচাৰীৰ বিশাল প্ৰতিবাদী সমাবেশ। |
| ২৯ আগষ্ট/০৯ | ঃ | মুখ্যমন্ত্ৰীৰ লগত পৰিষদৰ আনুষ্ঠানিক আলোচনা। |
| ১২ চেপ্তেম্বৰ/০৯ | ঃ | দৰমহা আয়োগৰ প্ৰাসংগিকতা কৰ্মসংস্কৃতি আৰু দুৰ্নীতি শীৰ্ষক আলোচনা চক্ৰ। |
| ১ অক্টোবৰ/০৯ | ঃ | সংবাদ মেল। |
| ৪ অক্টোবৰ/০৯ | ঃ | কৰ্ণধাৰ সমিতিৰ বৈঠক। |
| ২৭ অক্টোবৰ/০৯ | ঃ | কৰ্ণধাৰ সমিতিৰ বৈঠক। |
| ১ নবেম্বৰ/০৯ | ঃ | নগাওঁত কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সভা |
| ৭ নবেম্বৰ/০৯ | ঃ | নলবাৰীত কৰ্ণধাৰ সমিতিৰ সভা। |
| ১২ নবেম্বৰ/০৯ | ঃ | সন্থা, সংঘৰ সভাপতি/সম্পাদক, জিলা পৰিষদৰ সভাপতি/ সাধাৰণ সম্পাদক, কেন্দ্ৰীয় সমিতিৰ উপস্থিতিত প্ৰতিনিধিত্বমূলক সভা। |
| ৫ ডিচেম্বৰ/০৯ | ঃ | পৰিষদৰ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ বৈঠক। |
| ২০ ডিচেম্বৰ/০৯ | ঃ | কৰ্ণধাৰ সমিতিৰ বৈঠক। |

OKDISCD

২৯ ডিচেম্বৰ/০৯ ঃ কৰ্ণধাৰ সমিতিৰ বৈঠক।

৬ জানুৱাৰী/১০ ঃ জিলা সদৰ আৰু মহকুমা সদৰ স্থানত ধৰ্ণা।

১১ জানুৱাৰী/১০ ঃ দিশপুৰ লাষ্টগেটত অৱস্থান ধৰ্মঘট।

তাৰোপৰি বিভিন্ন সন্থাৰ বাৰ্ষিক সাধাৰণ সভা আৰু জিলা কাৰ্মচাৰী পৰিষদ, আঞ্চলিক কৰ্মচাৰী পৰিষদ সমূহৰ মুকলি সভাত কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া সকলে যোগদান কৰি সাংগঠনিক কাম-কাজ সুদৃঢ় কৰি তোলা হয়।

## সভা-সমিতি

যোৱা ১৪ জুন/০৯ তাৰিখৰ পৰা বৰ্ত্তমানলৈ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সভা ৪ খন, প্ৰতিনিধিত্বমূলক সভা ২ খন, কৰ্ণধাৰ সমিতিৰ সভা ৭ খন, সংবাদ মেল ১ খন, ৰাজ্যিক ভিত্তিত আলোচনা চক্ৰ ১ খন অনুষ্ঠিত কৰা হয়।

## দৰমহা আয়োগৰ প্ৰাসংগিকতা, কৰ্মসংস্কৃতি আৰু দুৰ্নীতি ঃ

যোৱা ১২ চেপ্তেম্বৰ/০৯ তাৰিখে অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত অসমৰ বিশিষ্ট ব্যক্তিক লৈ দৰমহা সংশোধনীৰ প্ৰাসংগিকতা, কৰ্মসংস্কৃতি আৰু দুৰ্নীতি শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। আলোচনা চক্ৰত বিশিষ্ট ব্যক্তি সকলৰ মত সাপেক্ষে দুৰ্নীতি নিবাৰণৰ উদ্দেশ্যে কোষ গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি এই সন্দৰ্ভত এক খছৰা প্ৰস্তাৱ যুগুতোৱা হৈছে। অৱশ্যে কাৰ্য্যকৰীকৰণৰ বাবে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই। আগন্তুক দিনত দুৰ্নীতি প্ৰতিৰোধ কোষ গঠন কৰিব পাৰিলে কৰ্মচাৰী পৰিষদৰ প্ৰতি জনসাধাৰণৰ আস্থা বৃদ্ধি পাব বুলিও ভবাৰ থল আছে।

**হিচাপ ঃ** বছৰটোৰ জমা-খৰছৰ হিচাপ বেলেগে দাঙি ধৰা হৈছে। পৰিষদৰ হিচাপ পৰীক্ষক শ্ৰীপ্ৰবোধ শৰ্মা আৰু শ্ৰীসত্যজিৎ বৰাক এই ছেগতে কৃতজ্ঞতা জনালো।

**সাংগঠনিক দিশ ঃ** সদৌ অসম কৰ্মচাৰী পৰিষদৰ ৪৮ খন জিলা কৰ্মচাৰী পৰিষদৰ কাম-কাজ সম্প্ৰতি সক্ৰিয়তাৰে চলি আছে। তাৰোপৰি ১৬০ টাতকৈও অধিক স্বীকৃতিপ্ৰাপ্ত কৰ্মচাৰী সন্থাই সদস্য সংগঠন আৰু সহযোগী সংগঠন হিচাপে পূৰ্ণ সহযোগিতা আগবঢ়াই আছে। যি কেইটা সংগঠনে পৰিষদৰ লগত সহযোগিতা আগবঢ়োৱা নাই সেই সকলৈ আগত দিনবোৰত সহযোগিতা আগবঢ়োৱাৰ বাবে আহ্বান জনোৱা হ'ল।

**পুঁজি ঃ** পৰিষদৰ পুঁজি টনকিয়াল নোহোৱাত সাংগঠনিক কাম-কাজ আগুৱাই নিয়াত ভীষণ অসুবিধা পোৱা গৈছে। তত্ৰাছ পৰিষদৰ স্বাৰ্থত বিষয়-ববীয়া কেইজনমানে নিজৰ জেপৰ পইচা খৰছ কৰি সহযোগিতা আগবঢ়োৱাত সেই সকললৈ ধন্যবাদ জনাইছো। আগন্তুক দিনত জিলা, সন্থা সমূহে পুঁজি সংগ্ৰহত সহযোগিতা কৰিব বুলি আশা ৰাখিলো।



OKDISCD

**শিক্ষকৰ সমস্যা ঃ** ৰাজ্যখনৰ শিক্ষানুষ্ঠান সমূহত শিক্ষক নিযুক্তিৰ কোনো স্পষ্ট নীতি নথকাত, প্ৰয়োজনতকৈ অধিক শিক্ষক নিযুক্তি দিয়াত প্ৰায়বোৰ জিলাত শিক্ষকৰ দা-দৰমহা, পদ নবীকৰণ আদিত বেমেজালিয়ে দেখা দিছে। শিক্ষানুষ্ঠান সমূহত ছাত্ৰ-ছাত্ৰীৰ সমানুপাতিক হাৰত শিক্ষকৰ ব্যৱস্থা কৰা আৰু খালী পদত মেধাৰ ভিত্তিত শিক্ষক নিযুক্তি দিয়াৰ পোষকতা কৰা হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ৰ ভিত্তিত অ. বি. বি শিক্ষক সকলৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ বাবে আৰু দৰমহাৰ বকেয়া আদায় দিয়াৰ বাবেও এই ছেগতে ৰাজ্য চৰকাৰলৈ আহ্বান ৰাখিলো।

**BTAD ৰ শিক্ষক-কৰ্মচাৰীৰ সমস্যা ঃ** BTAD ৰ অন্তৰ্গত কোকৰাঝাৰ, বাক্সা, ওদালগুৰি আৰু চিৰাং জিলাৰ শিক্ষক, কৰ্মচাৰীসকলৰ মাহিলী দৰমহা BTAD ৰ জৰিয়তে আদায় দিয়াৰ ব্যৱস্থা ৰখা হৈছে। BTAD ৰ অধীনত থকা জিলা সমূহত কোষাগাৰ, বেংক আদি স্থাপনৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষ সমূহক অনুৰোধ জনোৱা হ'ল।

**নীল বিলৰ ধন GPF ত জমা ঃ** ১/১/১৯৯৬ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ দৰমহা সংশোধন কৰি ৩১/৭/১৯৯৮ ইং তাৰিখলৈ আদায় দিবলগীয়া দৰমহাৰ বকেয়া, সময়ে সময়ে মুকলি কৰি দিয়া মৰগীয়া বানচৰ বকেয়া আজিলৈ একাংশ শিক্ষক, কৰ্মচাৰীৰ GPF ত জমা নোহোৱাত সেইসকল শিক্ষক, কৰ্মচাৰী নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আছে। নীল বিলৰ ধন আদায় পোৱাতো নিশ্চিত কৰাৰ বাবে বিত্ত বিভাগৰ লগত আলোচনা কৰি চলিত বৰ্ষত বাজেটত ধন ধাৰ্য্য কৰা হৈছে।

**শ্ৰদ্ধেয় শিক্ষক, কৰ্মচাৰীসকল,**

সদৌ অসম কৰ্মচাৰী পৰিষদৰ জন্ম হৈছিল অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ পটভূমিত। বিদেশী নাগৰিক ৰাজ্যখনৰ পৰা চিনাক্তকৰণ আৰু বহিস্কৰণত ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীসকলে কৰ্মচাৰী পৰিষদৰ পতাকাৰ তলত একে লগে একেমুখে "দেশতকৈ চাকৰি ডাঙৰ নহয়" শ্লোগানেৰে আন্দোলনটোক অধিক শক্তিশালী কৰি তুলিছিল। তেনে সন্ধিক্ষণত জন্ম গ্ৰহণ কৰা সদৌ অসম কৰ্মচাৰী পৰিষদে ৰাজ্যখনৰ যিকোনো জ্বলন্ত সমস্যাত আজিও মাত মাতি আহিছে। একেদৰে বানপানী সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰা, বিদ্ৰোহী সংগঠন সমূহৰ লগত শীঘ্ৰে আলোচনা কৰি ৰাজ্যখনৰ বিদ্ৰোহী সমস্যা মীমাংসা কৰা, ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীক ৰাষ্ট্ৰীয় জলপৰিবহণ হিচাপে ঘোষণা কৰা, ইয়াৰ জলৰাশিক কৃত্ৰিম ব্যৱস্থাৰে জলবিদ্যুৎ উৎপাদনৰ ব্যৱস্থা কৰা, জলসিঞ্চনৰ ব্যৱস্থা কৰি অসমৰ সাৰুৱা ভূমিত কৃষকসকল কৃষি কাৰ্য্যত ব্ৰতী হোৱাৰ বাবে উৎসাহিত কৰা, সত্ৰ-নগৰী মাজুলীৰ সুৰক্ষাৰ ব্যৱস্থা কৰা, দক্ষিণ পূৱৰ দুৱাৰ মুকলি কৰি দি ব্যৱসায়-বাণিজ্যৰ পৰিসৰ বৃদ্ধি কৰা আৰু থালকুছি, পাগলদিয়া আঁচনি সম্পূৰ্ণ কৰাকে ধৰি ৰাজ্যখনৰ উন্নয়ন আৰু শান্তিৰ স্বাৰ্থত ৰাজ্য চৰকাৰে শীঘ্ৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব বুলি বাঞ্ছা কৰা হৈছে।



OKDISCD

ৰাজ্যখনত চলি থকা হিংসাত্মক কাৰ্য বন্ধ কৰি সংশ্লিষ্ট সকলো পক্ষকে শান্তি প্ৰক্ৰিয়া অব্যাহত ৰখাৰ বাবে আহ্বান জনোৱা হৈছে। অসম চুক্তি ৰূপায়ণৰ নামত বিগত বছৰটোত হোৱা ত্ৰিপাক্ষিক আলোচনাত বানপানী সমস্যা ৰাষ্ট্ৰীয় সমস্যা হিচাপে যিহেতু প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰিছে, সেয়েহে উক্ত সমস্যা বাস্তৱ আৰু বিজ্ঞানসন্মত ভাবে মাষ্টাৰ প্ল্যান যুগুত কৰি সমাধান কৰাৰ ব্যৱস্থা কৰা হওক বুলি পৰিষদৰ তৰফৰ পৰা আহ্বান জনোৱা হ'ল।

**মূল্য বৃদ্ধি ৰোধ ঃ** আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ত ভাৰতবৰ্ষৰ বিভিন্ন চুক্তি, বিশ্বায়নৰ নামত পৃথিবীখন এখন সৰু গাঁৱলৈ পৰ্য্যবেশিত কৰাত সাধাৰণ কৃষক ৰাইজ, শ্ৰমিক, নিম্ন বেতনভোগী কৰ্মচাৰীসকল মাত্ৰ জীয়াই থকাৰ তাৰণাত ককবকাই থাকিবলগীয়া হৈছে। আন্তৰাষ্ট্ৰীয় বজাৰ একেখন হোৱাত সামগ্ৰীৰ মূল্য আকাশলঙ্ঘী ভাৱে বৃদ্ধি হোৱাত, মাহত দুই তিনিবাৰকৈ পেট্ৰোল, ডিজেল, ৰন্ধন গেছৰ দাম উঠা নমা হোৱাত এচামৰ ক্ৰয় ক্ষমতা নাইকীয়া হৈছে আৰু এচাম ৰাতিটোৰ ভিতৰতে অগাধ সম্পত্তিৰ মালিক হৈছে। এচাম মুনাফালোভী ব্যৱসায়ীয়ে নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ দাম দিনক-দিনে বৃদ্ধি কৰিছে। বজাৰ নিয়ন্ত্ৰণত ৰাজ্য চৰকাৰ সম্পূৰ্ণ ব্যৰ্থ হৈছে। ২০০৮ চনৰ চেপ্তেম্বৰ মাহৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীক সংশোধিত হাৰত দৰমহা আদায় দিয়া, লোকসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ পিছত সামগ্ৰীৰ দাম অত্যাধিক হাৰত বৃদ্ধি পোৱা বুলিও ভবাৰ থল আছে। সেয়েহে পৰৱৰ্ত্তী সময়ত সৰ্বসাধাৰণ ৰাইজ, নিম্ন বেতনভোগী শ্ৰমিক, কৰ্মচাৰী সকলক বৃহৎ মালিক গোষ্ঠীৰ কবলৰ পৰা পৰিত্ৰাণ পাবৰ বাবেও জনমত সৃষ্টি কৰাৰ থল থাকিব। থলুৱা সামগ্ৰী উৎপাদন আৰু ব্যৱহাৰৰ বাবে সজাগ কৰিব নোৱাৰিলে এটা সময়ত সেইবোৰ নিশ্চিহ্ন হোৱাৰ উপক্ৰম হ'ব। অসম চৰকাৰৰ যোগান বিভাগটো অধিক কাৰ্য্যক্ষম কৰি তুলিলেও নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ মূল্যবৃদ্ধি কিছু পৰিমাণে ৰোধ হোৱাৰ থল আছে।

**কাৰ্য্যালয়ত ৰাজ্যভাষা প্ৰয়োগ ঃ** অসম চৰকাৰৰ ভাষা আইন ১৯৬০, অসম চৰকাৰী ভাষা নিয়মাৱলীৰ ধাৰা ৩ (ঘ) ত উল্লেখ কৰিছে, ভাৰতীয় সংবিধান অনুযায়ী ৰাজ্যিক চৰকাৰে জাৰি কৰা সকলো আদেশ, বিনিময়, নিয়মাৱলী উপবিধি বা সংসদ নাইবা ৰাজ্যিক বিধান সভাৰ দ্বাৰা প্ৰণীত যিকোনো আইন ৰাজপত্ৰত অসমীয়া ভাষাতে প্ৰণীত হ'ব। তেনেদৰে স্বায়ত্ব শাসিত অঞ্চল, কাছাৰ জিলা আৰু বড়ো অধ্যুষিত অঞ্চলৰ বাবেও ভাষা আইনে স্পষ্ট নীতি নিৰ্দেশনা দিছে। চৰকাৰী ভাষা নিয়মাৱলী ১৯৭০ ৰ ৬ ধাৰামতে ৰাজ্যিক চৰকাৰৰ দ্বাৰা প্ৰেৰণ কৰা সকলো চৰকাৰী প্ৰ-পত্ৰ বা চাৰ্কোলাৰ, অধিসূচনা, সংবাদপত্ৰ, বিজ্ঞপ্তি বা প্ৰেছ নোট, প্ৰশাসনীয় নিৰ্দেশনা ইংৰাজী অনুবাদেৰে সৈতে অসমীয়াত প্ৰকাশ হ'ব। তাৰোপৰি চৰকাৰী কৰ্মচাৰীৰ নিযুক্তি, পদত স্থাপন, বদলি, পদোন্নতি, দণ্ড সম্পৰ্কীয় আদেশ, চৰকাৰী গেজেটত দিয়া বিজ্ঞাপন, টেণ্ডাৰ আদি ইংৰাজী অনুবাদৰ সৈতে অসমীয়াত প্ৰকাশ কৰা হ'ব। আনহাতে

১৯৭৮ চনৰ মাৰ্চ মাহত অনুষ্ঠিত হোৱা অখিল ভাৰতীয় ৰাজ্যিক ভাষা সন্মিলনে ৰাজ্যিক ভাষাৰ বাবে প্ৰয়োজন হোৱা মুদ্ৰালেখন যন্ত্ৰ, কৰ্মী, টেলিপ্ৰিন্টাৰ আদিৰ বাবে বিত্তীয় মঞ্জুৰী দিয়াৰ পৰামৰ্শ দিছে। কিন্তু দুৰ্ভাগ্যজনক ভাবে কাৰ্য্যালয় সমূহত বৰ্ত্তমান অসমীয়া ভাষা ব্যৱহাৰৰ বাবে মুদ্ৰালেখন যন্ত্ৰ পাবলৈ নাই। বিষয়া সমূহৰ কোঠাত কম্পিউটাৰ সোমাইছে যদিও অসমীয়া ভাষাৰ ব্যৱহাৰ নাই। এতাংশই অসমীয়া ভাষা ব্যৱহাৰ কৰিলে নিজকে হীনমান্যতাত ভোগাও দেখা যায়।

ৰাজ্যিক ভাষাত কাম-কাজ কৰাৰ বাবে বিষয়া-কৰ্মচাৰীসকলে নিজে আগভাগ লওঁক। প্ৰশাসনীয় কাম-কাজসমূহ জনসাধাৰণৰ ওচৰলৈ নিয়াৰ ব্যৱস্থা কৰা হওঁক। ব্যক্তিগত খণ্ডৰ প্ৰতিখন বিদ্যালয়ত মাতৃভাষাত অন্ততঃ দশম মানলৈ শিক্ষা গ্ৰহণ কৰাতো বাধ্যতামূলক কৰা হওঁক।

**কৰ্মচাৰী ভৱন নিৰ্মাণ ঃ** সুদীৰ্ঘ ২৫ বছৰ অতিক্ৰম কৰাৰ পিছতো কেন্দ্ৰীয় কাৰ্য্যালয়ৰ বাবে এটুকুৰা মাটি আবন্টন ল'ব নোৱাৰাটো চৰম বিফলতা। মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ তথা ৰাজহ বিভাগৰ আন্তৰিকতাপূৰ্ণ সহযোগিতাৰ বাবে ২২/১২/০৫ তাৰিখৰ ৰাজহ বিভাগ RSS 724/2001/44 নম্বৰ চিঠি মৰ্মে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ওচৰত শিল্পগ্ৰামলৈ যোৱা পথত এক বিঘা মাটি আৱন্টন দিছে। উক্ত মাটিত পৰিষদৰ কাৰ্য্যালয় ভৱন নিৰ্মাণৰ বাবে কাম আৰম্ভ কৰা হৈছে। কৰ্মচাৰী ভৱন নিৰ্মাণ সমিতিয়ে বৰঙণি সংগ্ৰহৰ বাবে ১০ টকীয়া, ১০০ টকীয়া, ৫০০ টকীয়া আৰু ১০০০ টকীয়া কুপন মুকলি কৰি দিছে। কিছুসংখ্যক জিলা সমিতি আৰু সংগঠনে কুপনৰ জৰিয়তে ধন সংগ্ৰহত সহযোগ কৰিছে যদিও ধন সংগ্ৰহ সঠিক নোহোৱাত নিৰ্মাণৰ কাম লেহেমীয়া হৈছে। মৰিগাওঁ অধিবেশনত কিছু জিলা পৰিষদ, সংগঠন আৰু কিছুৱে ব্যক্তিগতভাবে বৰঙণি আদায় দিয়াৰ বাবে প্ৰতিশ্ৰুতি দিছিল, কিন্তু সময়মতে আদায় নিদিয়াত নিৰ্মাণৰ কামত যথেষ্ট অসুবিধা হৈছে। ইতিমধ্যে কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সভাই বৰঙণি বহীত পাঁচ হাজাৰতকৈ অধিক বৰঙণি দিলে নামফলকত নাম সন্নিবিষ্ট কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। বিভিন্ন জিলা, সংগঠনৰ বিষয়-ববীয়াই নিৰ্মাণ সমিতিৰ নামত ছপা কৰা কুপন সংগ্ৰহ কৰি বৰ্তমানলৈ ধন আদায় দিয়া নাই, সেই সকলক শীঘ্ৰে আদায় দিয়াৰ বাবে আহ্বান জনালো।

অৱশ্যে পৰিষদৰ আহ্বানত গুৱাহাটী জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত তৰুণ ৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ৰাজ্যিক কৰ্মচাৰী অভিবৰ্ত্তনৰ ৰাহি ধন ২ লাখ টকা আৰু প্ৰায় ৫০ হাজাৰ টকাৰ কাৰ্য্যালয়ৰ সামগ্ৰী ক্ৰয় কৰি দিয়াত গুৱাহাটী জিলা কৰ্মচাৰী পৰিষদক কৃতজ্ঞতা জনালো। সদৌ অসম কৰ্মচাৰী পৰিষদৰ তিনিমহীয়া বাৰ্ত্তা আলোচনী 'কৰ্মযুগ'ৰ সম্পাদনা সমিতিয়ে বিশেষ বৰঙণি হিচাপে সংগ্ৰহ কৰা ৫০ হাজাৰ টকাৰ এটি ধনৰ টোপোলা নিৰ্মাণ কাৰ্য্যত খৰছ কৰিবলৈ আগবঢ়োৱাটো উল্লেখনীয় বিষয়।

**কৰ্মযুগ প্ৰকাশ** ঃ সদৌ অসম কৰ্মচাৰী পৰিষদৰ তত্বাৱধানত 'কৰ্মযুগ' নামৰ এখন তিনিমহীয়া বাৰ্ত্তালোচনী প্ৰকাশৰ দিহা কৰা হৈছে। পৰিষদৰ কাম্-কাজ আৰু সাংগঠনিক দিশসমূহ শিক্ষক, কৰ্মচাৰীৰ মাজলৈ লৈ যোৱাৰ স্বাৰ্থত প্ৰত্যেকে কৰ্মযুগৰ বহুল প্ৰচাৰত মনোনিবেশ কৰিব নিশ্চয়।

**সীমা সমস্যা** ঃ ভাৰত আৰু বাংলাদেশৰ সীমাত অসম চুক্তি অনুসৰি কাঁইটীয়া তাৰৰ বেৰ সম্পূৰ্ণ কৰাৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। আনহাতে আন্তঃৰাজ্যিক সীমা সমস্যা যেনে নগালেণ্ড, অৰুণাচল আৰু মেঘালয়ৰ লগত অসমৰ সীমা বিবাদৰ বাবে ৰাজ্য সমূহৰ মাজত অদূৰ ভৱিষ্যতে ভাতৃত্ববোধ ব্যাহত হোৱাৰ থল আছে। অসমৰ মাটিত নগালেণ্ড আৰু মেঘালয়ে কৰা বেদখলৰ বাবে ৰাজ্যখনৰ জনসাধাৰণৰ মাজত অসন্তুষ্টিয়ে দেখা দিছে।

**শ্ৰদ্ধাৰ বন্ধু-বান্ধৱীসকল,**

সদৌ অসম কৰ্মচাৰী পৰিষদৰ কাম-কাজৰ পৰিসীমা ব্যাপক। সকলোবোৰ কথা প্ৰতিবেদনত সামৰি লোৱাতো সম্ভৱ নহয়। যথা সম্ভৱ ইয়াত কিছু তথ্য দাঙি ধৰাৰ প্ৰয়াসহে কৰিছোঁ। যোৱা বছৰটোত পৰিষদৰ কাম-কাজ চলাই নিয়াত প্ৰতিজন কেন্দ্ৰীয় সমিতিৰ সদস্য, কৰ্ণধাৰ সমিতিৰ সদস্যই আগবঢ়োৱা সহায়-সহযোগিতা, বিশেষকৈ সভাপতি শ্ৰীপ্ৰদীপ কুমাৰ বৰাৰ সহযোগিতা কোনো দিন পাহৰিব নোৱাৰিম।

বিগত বছৰটোত আপোনালোকৰ পৰা লাভ কৰা মৰম-চেনেহ, দিহা-পৰামৰ্শ, গঠনমূলক সমালোচনাই আমাক কৰ্মপ্ৰেৰণা যোগাইছিল। আহি থকা দিনবোৰতো একেই ধৰণে সহযোগিতা পাম বুলি আমি প্ৰত্যয় পোষণ কৰিছোঁ। প্ৰতিবেদনত থকা সাম্ভাব্য ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি আপোনালোক সদৌটিলৈকে সেৱা জনাই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

***সদৌ অসম কৰ্মচাৰী পৰিষদ জিন্দাবাদ।***

***শ্ৰমিক, কৰ্মচাৰী, শিক্ষক, বিষয়া ঐক্য জিন্দাবাদ।।***

শ্ৰদ্ধাৰে-

১৭/১/১০ তাৰিখৰ
কৰ্ণধাৰ সমিতিৰ সভাত
অনুমোদিত

**শ্ৰীবাসৱ চন্দ্ৰ কলিতা**
সম্পাদক প্ৰধান,
সদৌ অসম কৰ্মচাৰী পৰিষদ।



OKDISCD